*... তাই কোম্পানীৰ মানুহ। সাৰেংখাৰাৰ কুৰাত পৰি গিৰিয়েক মৰিছে। আমাৰ ঠিকাদাৰৰ লগত অহা মানুহ। তাইৰ ল'ৰা-ছোৱালী তিনিটাই খালাচীইঁতৰ লঙ্গৰে লঙ্গৰে ভিক্ষা কৰি ফুৰে।*[16]

এই ঘটনাই লেখিকাক এক নিকৃষ্ট বাস্তৱৰ সন্ধান দিছিল। সংস্থাপনহীনতাই মানুহক কেনেদৰে ধ্বংস কৰি পেলাব পাৰে, দাৰিদ্ৰই মানুহক কিমান গভীৰ অন্ধকূপলৈ লৈ যাব পাৰে, সেই সত্যৰ উপলব্ধি প্ৰায় ১৫ বছৰকাল হৃদয়ৰ গোপন কোণত বহন কৰি লৈ ফুৰা লেখিকাই নাৰায়ণীৰ চৰিত্ৰত এই ঘটনাক অন্য ৰূপত আৰোপিত কৰা যেন লাগে।

ইয়াৰ পিছত বেবেকত নাৰায়ণীৰ অৱস্থা বেয়ালৈ ঢাল ল'লে। কাম-কাজ নাই; কোলাৰ কেঁচুৱাৰ গাখীৰ, বেমাৰী গিৰিয়েক শিবু ধাছলাৰ দৰৱ, খোৱা-লোৱা সকলো খৰচ উলিওৱাৰ কোনো উপায় নেদেখি বিবশ হৈ পৰা নাৰায়ণীৰ প্ৰতি সহানুভূতিশীল হৈ বসুমতী বুঢ়ীয়ে সাইৰ বালিলৈ নতুনকৈ অহা লোডী কাৰ্পেট কোম্পানীৰ কামৰ খবৰ দিয়ে। দিনৰ পোহৰত অস্পৃশ্য হৰিজনৰ কাষলৈকে নহা চাহাবসকলক দোভাগ ৰাতি তম্বুৰ ভিতৰত শুশ্ৰূষা কৰাৰ অধিকাৰ নাৰায়ণীয়ে লাভ কৰিব পাৰে। কাৰণ নাৰায়ণীৰ 'হাত ভৰিবোৰ অৰ্জুন গছৰপৰা সৰি পৰা মৌৰ বাহৰ দৰে।'[17] নৰকংকালৰ ৰূপ লোৱা শিবু ধাছলাৰ শুকাই কৰ্কষ হৈ যোৱা গছৰ ফেৰেঙণি এটাত নাৰায়ণী যেন এপাহ গোলাপ ফুল হৈ বজি ৰৈছে।'[18] 'এছেনছিয়েল চাৰ্ভিচ'ত হস্পিটালৰ কাম কৰি তাই সামান্য মজুৰী উলিয়ায়। ধৰ্মঘটৰ কোনো সুফলৰ আশা নেদেখি লোডী কাৰ্পেট কোম্পানীৰ দালালৰ পৰামৰ্শমতে কাম কৰিবলৈ গৈ নাৰায়ণীয়ে বিচিত্ৰ অভিজ্ঞতাৰ সন্মুখীন হয়। চাৰেংখেৰা ব্ৰাসত সোণালী সপোন দেখুওৱা চৌধুৰী চাহাবে তাইক লগ ধৰিলে। তাইৰ দুৰ্দশাৰ খবৰ পাই চৌধুৰীয়ে টকাৰ টোপোলা আগবঢ়াই সহায় কৰিব বিচাৰিলে। কিন্তু কি আচৰিত! নাৰায়ণীয়ে সেই টকাৰ টোপোলা গ্ৰহণ নকৰিলে। এইখিনিতে মানৰ চৰিত্ৰৰ ৰহস্যময়তাৰ অন্য এক দিশ উন্মোচিত হৈছে। অন্ন, বস্ত্ৰ, সংস্থাপনৰ অভাৱে নিশ্চিত মৃত্যুলৈ আগবঢ়াই নিয়াৰ মুহূৰ্ত্ততো নাৰায়ণীৰ মনত সামাজিক নীতি-অনীতি, সৎ-অসতৰ দ্বন্দ্বই ক্ৰিয়া কৰিছে। লগে লগে তাইৰ ভিতৰৰ অভিমানো জাগ্ৰত হৈছে। প্ৰবঞ্চক প্ৰাক্তন প্ৰেমিকৰ অনুকম্পা গ্ৰহণ কৰি তাই নিজকে হেয় কৰিব নোৱাৰে। ..... Man can be destroyed, but not defeted.[19] অভিমানী মনে চৌধুৰীৰ সহায় গ্ৰহণ কৰিব নোৱাৰিলেও জীৱন ৰক্ষাৰ স্বাৰ্থত লোডী কাৰ্পেট কোম্পানীৰ



তম্বুৰ ভিতৰত ঠাকুৰ চাহাবক সকলো প্ৰকাৰে সেৱা-শুশ্ৰূষা কৰিবলৈ নাৰায়ণী অৱশেষত বাধ্য হয়—

*... চাহাব এই মাংসপিণ্ড লৈ যি মন যায় তাকে কৰা। মই জানো মোৰ দেহলৈ তোৰ বীজ যাব নোৱাৰে।*[20]

কিন্তু চাৰেংখেৰা 'বাৰ্ক চাইট'ত থাকোতে দুৰ্ঘটনাত পতিত হৈ ঠাকুৰ চাহাবে পুৰুষত্ব হেৰুওৱা বুলি সকলোৱে জনা কথাটো ভুল প্ৰমাণিত হ'ল—

*... শেষত এয়ে হ'ল!*
*এয়ে হ'ল!*
*কিন্তু কাৰ বীজ তাই কঢ়িয়াই ফুৰিছে?*
*এয়া কাৰ বীজ?*[21]

লিচু লেঙেৰাৰ প্ৰৰোচনাত পুৱতি নিশা আহি শিবু ধাছলাই কুঠাৰেৰে ঘপিয়াই তম্বুৰ কাপোৰ ফালি উলংগ নাৰায়ণীক আবিষ্কাৰ কৰাৰ মুহূৰ্ত্তত নাৰায়ণীৰ বুকুতো প্ৰতিশোধৰ জুইকুৰা ধৌ ধৌকৈ জ্বলি উঠিল। গিৰিয়েকৰ হাতৰপৰা কুঠাৰখন লৈ মদৰ নিচাত অচেতন হৈ পৰি থকা ঠাকুৰ চাহাবক তাই নিজেই হত্যা কৰিলে। জীৱন নদীৰ চাকনৈয়াত পৰি থৰকাচুতি হেৰুওৱা মানুহে কি কৰিব নোৱাৰে! এই ভয়ংকৰ ঘটনাৰ পিছত নাৰায়ণী আৰু শিবু ধাছলাৰ কি পৰিণতি হ'ল সেই কথা কাহিনীত স্পষ্ট নহয়। 'ফাইনেল নটিছ' পাই নতুন কামৰ সন্ধানত শম্ভু পাছোৱানৰ নেতৃত্বত ডালমৌৰ ঘাটলৈ লক্ষ্য কৰি আগুৱাই যোৱা কংকালসাৰ দলটিৰ মাজত সিহঁত নাই। লোকেল লীডাৰৰ ঘৰত জুই দিয়াৰ অপৰাধত ৰাইবেৰেলীৰ পুলিচে গ্ৰেপ্তাৰ কৰা দলটিত সিহঁত আছে নে নাই সেই কথাও স্পষ্ট নহয়। তদুপৰি সাই নদীৰ বালিৰ 'বাৰ্ক চাইট'ত সিহঁত থাকি আহিল নেকি সেই কথাও জনা নাযায়। ঔৎসুক্যৰ সৃষ্টি কৰি সেই কথাৰ উত্তৰ ঔপন্যাসিকাই পাঠকলৈ এৰিছে।

নাৰায়ণী পৰিস্থিতিৰ দাস। জীৱিকাৰ তাড়ণাই মানুহক ক'লৈ লৈ যায় তাৰ স্থিৰতা নাই। কঠিন বাস্তৱৰ প্ৰচণ্ড ধুমুহাৰ মাজত মানুহে খোপনি হেৰুৱায়। কোৱাল ঢৌৱে ওফৰাই নি পাৰৰ বালিতো পেলাব পাৰে নাইবা গভীৰ সমুদ্ৰৰ তলীতো নিক্ষেপ কৰিব পাৰে। নাৰায়ণীয়ে জীয়াই থাকিবলৈ সংগ্ৰাম কৰিছে শৰীৰৰ শকতি থকালৈকে। তথাপি মানৱতা শেষ হৈ যোৱা নাই। কোলাৰ কেঁচুৱা, শিবু ধাছলাৰ দায়িত্ব আওকাণ কৰা নাই। আনফালে বিচিত্ৰ এই মানুহৰ পৃথিৱীত তাইৰ অন্তৰত সুপ্ত হৈ থকা জিঘাংসা জাগৃত হৈছে। প্ৰাক্তন প্ৰেমিক, প্ৰবঞ্চক চৌধুৰীৰ পুনৰ